**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। সংঘৰ্ষ বিৰতিৰ কেইঘণ্টামানৰ পাছতেই পাকিস্তানৰ চুক্তি উলংঘন। জম্মু আৰু কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানৰ যোৱা নিশা গোলাবৰ্ষণ। ভাৰতীয় বাহিনীৰ যোগ্য প্ৰত্যুত্তৰ।

২। ৰাজ্যৰ ২৭ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা আৰম্ভ।

৩। শান্তি, সমন্বয় আৰু উন্নয়ন বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ সাফল্যৰ তিনিটা অন্যতম স্তম্ভ বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। গুৱাহাটী মহানগৰীত পাইপযোগে প্ৰাকৃতিক গেছ যোগানৰ অভিলাষী প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন।
**আৰু**

৫। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি সন্ধিয়াৰ ভাগত অহা প্ৰচণ্ড ধুমুহা বৰষুণৰ ফলত বিস্তৰ ক্ষতি।

oooooo

পাকিস্তানৰ সৈতে কালি হোৱা সংঘৰ্ষ বিৰতিৰ বুজাবুজিৰ কেইঘণ্টামানৰ পাছতেই দেশখনে পুনৰ নিয়ন্ত্ৰণ ৰেখাৰ কেইবা ঠাইক লক্ষ্য কৰি অপ্ৰৰোচিতভাৱে গোলাবৰ্ষণ কৰে। সেনাবাহিনীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে। যোৱা নিশা নতুন দিল্লীত আয়োজিত সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে এই কথা প্ৰকাশ কৰি কয়, যে সশস্ত্ৰ বাহিনীসমূহে সংঘৰ্ষ বিৰতি উলংঘাৰ সমুচিত আৰু যোগ্য প্ৰত্যুত্তৰ দিছে আৰু ভাৰতে সংঘৰ্ষ বিৰতি উলংঘাৰ ঘটনাক গুৰুত্ব সহকাৰে লৈছে।

ভাৰতে সংঘৰ্ষ বিৰতি উলংঘাৰ ঘটনা ৰোধ কৰাৰ বাবে উচিত পদক্ষেপ ল'বলৈ আৰু গম্ভীৰতা তথা দায়িত্ব সহকাৰে পৰিস্থিতিৰ সন্মুখীন হ'বলৈ পাকিস্তানৰ প্ৰতি আহ্বান জনাইছে। শ্ৰীমিশ্ৰিয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে পৰিস্থিতিৰ ওপৰত সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। বিদেশ সচিবগৰাকীয়ে কয়, যে তেওঁলোকক আন্তঃৰাষ্ট্ৰীয় সীমান্ত আৰু নিয়ন্ত্ৰণ ৰেখাত সংঘৰ্ষ বিৰতি উলংঘাৰ দৃঢ়তাৰে সন্মুখীন হ'বলৈ নিৰ্দেশ দিয়া হৈছে। শ্ৰীমিশ্ৰিয়ে কয়, যে পাকিস্তানে সঠিকভাৱে পৰিস্থিতি অনুধাৱন কৰা উচিত আৰু অনুপ্ৰৱেশ বন্ধ কৰাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

*-বাইট-*

ইয়াৰ পূৰ্বে, ভাৰত আৰু পাকিস্তানে দুয়ো দেশৰ সেনাবাহিনীৰ মাজত চলি থকা গোলাবৰ্ষণ আৰু আন সামৰিক কাৰ্যকলাপ তৎকালে বন্ধ কৰিবলৈ সন্মতি প্ৰকাশ কৰে। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কালি সন্ধিয়া নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে পাকিস্তানৰ ডাইৰেক্টৰ জেনেৰেল অফ মিলিটাৰী অপাৰেচনে কালি বিয়লিৰ ভাগত ভাৰতৰ ডাইৰেক্টৰ জেনেৰেল অফ মিলিটাৰী অপাৰেচনক টেলিফোন কৰি এই সংঘৰ্ষ বিৰতিৰ বাবে অনুৰোধ জনায়। এই সন্দৰ্ভত দুয়োগৰাকী সামৰিক বিষয়াৰ

মাজত হোৱা আলোচনাত এই সিদ্ধান্তত উপনীত হোৱা যায়। সংবাদ প্ৰতিষ্ঠান এ এন আই বাতৰি অনুসৰি পাকিস্তানৰ ডিজিএমঅ গৰাকীয়ে কালি বিয়লি ৩ বাজি ৩৫ মিনিটত ভাৰতৰ ডিজিএমঅলৈ দুয়ো দেশৰ মাজত থকা স্থায়ী হটলাইনৰ যোগেদি এই অনুৰোধ জনায় আৰু কালি সন্ধিয়া ৫ বজাৰ পৰা দুয়ো দেশৰ সেনাবাহিনীৰ মাজত স্থলভাগ, আকাশমাৰ্গ আৰু সামুদ্ৰিক আক্ৰমণ-প্ৰত্যাক্ৰমণ স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়। দুয়োগৰাকী সামৰিক বিষয়াৰ মাজত কাইলৈ পুনৰ আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০

১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ অন্যতম নায়ক অৱসৰপ্ৰাপ্ত উইং কমাণ্ডাৰ জগদীশ ভট্টাচাৰ্যই যোৱানিশা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত পাকিস্তানত বোমাবৰ্ষণ কৰি উভতি অহাৰ পথত তেওঁৰ বিমান গুলীবিদ্ধ হোৱা ধ্বংস হোৱা আৰু পেৰাচ্যুটেৰে নামি অহাৰ পাছত কিদৰে পাকিস্তানী সেনাৰ চকুত ধূলি মাৰি স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিছিল এই সম্পৰ্কত প্ৰকাশ কৰে।

**বাইট (জগদীশ ভট্টাচাৰ্য)**

**অপৰাচেন সিন্দূৰ** সম্পৰ্কত তেওঁ কয়, যে এই অভিযানৰ দ্বাৰা ভাৰতীয় বায়ুসেনাই উৎকৃষ্টতাৰ নিদৰ্শন দাঙি ধৰিছে। এই অভিযান নিখুঁট আৰু সুপৰিকল্পিত বুলি তেওঁ কয়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰচাৰ আজি বিশেষ দৃষ্টিপাতৰ দ্বিতীয় খণ্ডটো প্ৰচাৰ কৰিব। নিশা ৮ বাজি ২০ মিনিটৰ পৰা প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত গ্ৰুপ কেপ্টেইন দেৱানন্দ গোহাঁই আৰু জ্যেষ্ঠ নাগৰিক তথা আকাশবাণীৰ প্ৰাক্তন ঘোষক কীৰ্তিকমল ভূঞাৰ সৈতে বাৰ্তালাপ শুনিবলৈ পাব। এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠান সূচীৰ জৰুৰী পৰিৱৰ্তনৰ বাবে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰিত নহয়।

০০০০০০

ৰাজ্যৰ ২৭ খন জিলাত দুটা পৰ্যায়ত অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা পুৱা ৮ বজাৰ পৰা চলি আছে। ২১ হাজাৰ ৯২০ খন গাঁও পঞ্চায়ত, ২ হাজাৰ ১৯১ খন আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ৩৯৭টা সদস্য পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল। অৱশ্যে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ একাংশ পদত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। যোৱা ২ মে' আৰু ৭ মে'ত ৰাজ্যৰ ২৫ হাজাৰ ৭টা কেন্দ্ৰত বেলটযোগে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হয়।

ভোটগণনাৰ সময়ত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনসমূহে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। কামৰূপ জিলাত পুৱা ৮ বজাৰ পৰা তিনিটা স্থানত ভোটগণনা আৰম্ভ হৈছে। পুৱা ৭ বজাত কটকটীয়া নিৰাপত্তাৰ মাজেৰে ষ্ট্ৰং ৰুম খোলা হয় তাৰ পাছতে বেলট পেপাৰ গণনা কৰা হৈছে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, জিলা আয়ুক্তৰ কাৰ্যালয় আৰু ৰঙিয়া সমজিলাত তিনিটাকৈ অস্থায়ী ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ১৫টা, জিলা আয়ুক্তৰ কাৰ্যালয়ত ৯টা আৰু ৰঙিয়া সমজিলাত ৪টা কক্ষত ভোটগণনা চলি আছে। ভোটগণনা প্ৰক্ৰিয়াৰ বাবে প্ৰাধিকৃত বিষয়া, পৰ্যবেক্ষক, ভোটগণনা সহায়কে ধৰি এহেজাৰ ৪৫০ গৰাকী বিষয়া নিয়োগ কৰা হৈছে। বৰপেটা জিলাত চলি থকা ভোটগণনা সন্দৰ্ভত আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয়-

**ভইচ (অৰূপজ্যোতি মহন্ত)**

প্ৰতিকূল বতৰৰ মাজতো হোজাই জিলাত শান্তিপূৰ্ণভাৱে ভোটগণনা চলি আছে।

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে **ধেমাজি জিলাৰ** ধেমাজি মহাবিদ্যালয়ৰ চৌহদ আৰু জোনাই সমজিলাৰ কাৰ্যালয়ত ভোটগণনা চলি আছে। এই সন্দৰ্ভত আমাক সবিশেষ জনাব আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই

**ভইচ (হৰেন্দ্ৰ নাথ শৰ্মা)**

লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ভোটগণনা চলি আছে। জিলাখনৰ ১৫খন জিলা পৰিষদ, ৬০ খন আঞ্চলিক পঞ্চায়ত আৰু ৫৭৪টা ৱাৰ্ড সদস্য পদৰ বাবে হোৱা নিৰ্বাচনৰ ভোটগণনা ১৫টা গণনা কক্ষত কৰা হৈছে।

০০০০০০

শান্তি, সমন্বয় আৰু উন্নয়নৰ বৰ্তমান ৰাজ্য চৰকাৰখনৰ সাফল্যৰ তিনিটা অন্যতম স্তম্ভ বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মা নেতৃত্বাধীন চৰকাৰৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলত বিগত ৪টা বছৰত এই তিনিটা বিষয় অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, এই সময়ছোৱাত ৰাজ্যখনত কোনো অশান্তিকৰ পৰিৱেশৰ সূচনা হোৱা নাই। ৰাজ্যৰ জনগোষ্ঠীয় লোকসকলৰ মাজত সমন্বয় দেখা গৈছে। পাহাৰীয়া জিলা দুখনত শান্তি বিৰাজ কৰাৰ লগতে এই সময়ছোৱাত উদ্যোগ, বাণিজ্যৰ ক্ষেত্ৰতো বিকাশ হৈছে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন চাৰে ৭ লাখ কোটি টকালৈ বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। একেখন সংবাদমেলতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত অনুসৰি ডিব্ৰুগড় বিমানবন্দৰ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত হ'ব বুলি প্ৰকাশ কৰে। অসমৰ চাহ উদ্যোগে ২০০ বছৰ সম্পূৰ্ণ কৰাৰ উপলক্ষে প্ৰায় ৭ লাখ চাহ বাগিচাৰ কৰ্মচাৰীক এককালীনভাৱে ৫ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মন্ত্ৰীসভাৰ সিদ্ধান্ত অনুসৰি চৰকাৰী কৰ্মচাৰীৰ বাবে আপোন ঘৰ, আপোন বাহন আঁচনি দুখনৰ সুবিধা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, সৰ্বশিক্ষা অভিযান, শক্তি বিভাগৰ তিনিওটা প্ৰতিষ্ঠান আৰু লাভজনক নিগম-নিকায়ৰ কৰ্মচাৰীসকলেও লাভ কৰিব। মুখ্যমন্ত্ৰী জীৱন প্ৰেৰণা আঁচনিখনতো মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিৰ বাবে পহিলা জুনৰ পৰা আবেদন কৰিব পাৰিব। আঁচনিখনৰ সুবিধা অনুসৰি ২০২৪-২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে ২ হাজাৰ ৫০০ টকাকৈ লাভ কৰিব। অৱশ্যে ব্যক্তিগত শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে এই সুবিধা লাভ নকৰে। বিশ্ববিদ্যালয়ৰ গৱেষক, ছাত্ৰ-ছাত্ৰীসকলকো চৰকাৰে এই আঁচনিৰ অধীনত ২০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়াব। দিব্যাংগ গৱেষক ছাত্ৰ-ছাত্ৰীসকলক ৪০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। বৰাক উপত্যকাৰ শিলচৰত প্ৰথমটো চি এন জি আন্তঃগাঁথনি সম্প্ৰসাৰণৰ দ্বাৰা পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই চি এন জি ষ্টেচনৰ সুবিধা হাইলাকান্দি আৰু শ্ৰীভূমি জিলাকো প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে।

০০০০০০

গুৱাহাটী মহানগৰবাসীৰ পৰা এতিয়াৰে পৰা পাইপ যোগে প্ৰাকৃতিক গেছ সুলভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানত গুৱাহাটী মহানগৰীত পাইপযোগে প্ৰাকৃতিক গেছ যোগানৰ এই অভিলাষী প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ত গীতানগৰ অঞ্চলৰ ১০১টা পৰিয়ালক সামৰি লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কালিৰ অনুষ্ঠানতেই শিলচৰত বৰাক উপত্যকাৰ প্ৰথমটো চি

এন জি ষ্টেচন উদ্বোধন কৰাৰ লগতে হাজো, শুৱালকুছি, ৰঙিয়া আৰু বাইহাটা চাৰিআলিত পাইপযোগে গেছ যোগানৰ প্ৰাৰম্ভিক কামো আৰম্ভ কৰে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি সন্ধিয়াৰ ভাগত অহা প্ৰচণ্ড ধুমুহা বৰষুণৰ ফলত বিস্তৰ ক্ষতি হোৱাৰ উপৰি নগাঁও জিলাৰ আমচৈত এজন লোকৰ প্ৰাণহানি হয়। আমচৈৰ নকুচি বাগানত বিদ্যুৎ পৰিবাহী খুটা বাগৰি পৰাৰ ফলত ৰাজেশ্বৰ তাঁতী নামৰ লোকজনৰ মৃত্যু হয়। মৰিগাঁও জিলাৰ শোলমাৰীত ধুমুহাত গছৰ ডাল ভাগি পৰাৰ ফলত এজন লোক গুৰুত্বৰভাৱে আহত হয়। গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী সোণাপুৰ আৰু ডিমৰীয়াৰ কেইবাটাও অঞ্চলত কালি ধুমুহাই ক্ষতি কৰে। ক্ষেত্ৰীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাঠাইতো পথৰ কাষৰ গছ বাগৰি পৰাৰ ফলত ভালেমান সময়ধৰি পথ যোগাযোগ ব্যাহত হয়। একেদৰে গোৱালপাৰা চহৰৰ বিভিন্ন প্ৰান্তত ধুমুহাৰ ফলত বিস্তৰ ক্ষয় ক্ষতি হয়। জিলাখনৰ ভালুকডুবি এলেকাৰ গোৱালপাৰা শোলমাৰী পথৰ দাঁতিত থকা কেইবাজোপা গছ ভাগি পৰাত যাতায়ত ব্যৱস্থা ব্যাহত হয়। নলবাৰী জিলাৰ কৈঠালকুছিত কালি ধুমুহা আৰু শিল বৰষুণৰ ফলত বিস্তৰ ক্ষতি হয়।

গুৱাহাটী মহানগৰীতো কালি সন্ধিয়া হোৱা ধুমুহাৰ ফলত গছ উভালি পৰাত কেইবাখনো বাহনৰ ক্ষতি হোৱাৰ উপৰি বজাৰ, ব্যৱসায়িক, প্ৰতিষ্ঠান আৰু বাসগৃহৰ ক্ষতি হয়। মহানগৰীৰ বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰো সৃষ্টি হয়। বৰপেটা জিলাত ধুমুহা বৰষুণৰ ফলত জিলাখনৰ বিভিন্ন অঞ্চলত জনজীৱন ব্যাহত হৈছে। ধুমুহাৰ ফলত কেইবাঠাইতো পথৰ ওপৰত গছ বাগৰি পৰে। ইয়াৰ ফলত কোনো লোক হতাহত হোৱা নাই যদিও যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ উপৰি বিদ্যুৎ যোগানো ব্যাহত হৈছে। ইপিনে, যোৱা দুদিনত বৰপেটা, গোৱালপাৰা আৰু কামৰূপ জিলাৰ সীমামূৰীয়া অঞ্চলৰে বৈ যোৱা জলজলি নৈ কেইবাখনো বাঁহ আৰু কাঠৰ দলং উটুৱাই নিয়াৰ ফলত অঞ্চল সমূহেৰে যাতায়ত ব্যাহত হৈছে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকত সমূহৰ প্ৰথম পৃষ্ঠা ভাৰত-পাকিস্তানৰ মাজত অব্যাহত থকা সংঘৰ্ষৰ খবৰেৰে ভৰি পৰা পৰিলক্ষিত হৈছে। আমেৰিকাৰ মধ্যস্ততাত কালি ভাৰত আৰু পাকিস্তানে সংঘৰ্ষ বিৰতিত সন্মত হৈছিল যদিও বুজাবুজিৰ মাত্ৰ ৩ঘন্টাৰ পাছতে পাকিস্তানে ভাৰতলৈ লক্ষ্য কৰি গুলীবৰ্ষণ আৰু ড্ৰোণ আক্ৰমণ কৰে। 'তিনি ঘন্টাতে যুদ্ধবিৰতি উলংঘা পাকিস্তানৰ, জম্মু কাশ্মীৰত ড্ৰোন আক্ৰমণত আহত ভাৰতীয় জোৱান' শিৰোনামেৰে **আমাৰ অসম** কাকতে এই বাতৰিটো পৰিৱেশন কৰিছে। একেটা বাতৰিকে **দৈনিক অগ্ৰদূত, নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি** আদিকে ধৰি প্ৰায়কেইখন কাকতেই ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ মধ্যস্থতাত কালি ভাৰত-পাকিস্তানে যুদ্ধবিৰতিৰ বাবে সন্মত হোৱা আৰু সোমবাৰে দুই দেশৰ সামৰিক অভিযান সণ্চালকপ্ৰধানদ্বয়ৰ বৈঠক হ'ব বুলি ভাৰতৰ বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে ঘোষণা কৰা বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী, বৈদেশিক মন্ত্ৰী আৰু তিনিওটা সামৰিক বাহিনীৰ সেনাপ্ৰধানে এখন উচ্চস্তৰীয় বৈঠকত মিলিত হোৱাৰ বাতৰিটো The Assam Tribune কাকতে প্ৰকাশ কৰিছে। অসম কেবিনেটে কালি আন কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ লগতে ডিব্ৰুগড বিমান বন্দৰক ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা বাতৰিটো The Sentinel আৰু **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি ২৭খন জিলাত পণচায়ত নিৰ্বাচনৰ ভোটগণনা হোৱাৰ বাতৰিটো অনান্য কাকতৰ লগতে **অসমীয়া খবৰ** কাকতেও প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে জাননী জাৰি কৰিছে। **সমৰ্থ প'ৰ্টেলৰ** জৰিয়তে কাইলৈৰ পৰা চলিত ২০২৫-২৬ বৰ্ষৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত কাইলৈৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলে নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে থিতাতে নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। আনহাতে অহা ১ আগষ্টৰ পৰা প্ৰথম ষান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বিজুলী-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত